# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-01-2025 **Time :** 1205 Hrs.

## Assamese Mid Bulletin

বজালী জিলাৰ পাঠশালাত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই কালি অধিৱেশনৰ বিতং কাৰ্যসূচী ঘোষণা কৰে। কাইলৈ পুৱা চাৰে ৮ বজাত নামঘৰৰ দ্বাৰ উদ্ঘাটনেৰে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে নামঘৰৰ দ্বাৰ মুকলি কৰিব আৰু নাজিৰাৰ সমাজকৰ্মী যতীন লাহনে বন্তি প্ৰজ্বলন কৰিব। পুৱা ৯ বজাত পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে ভটদেৱ ক্ষেত্ৰ মুকলি কৰিব।

সাহিত্য সভাৰ অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকি ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। সাহিত্য সভাৰ অধিৱেশন এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। একেদৰে এইবাৰৰ অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ দিহা কৰা হৈছে। বজালীৰ উৎপাদিত সামগ্ৰী খাদ্য সম্ভাৰেৰে বজালী হাটৰো ব্যৱস্থা কৰা হৈছে। অধিৱেশনথলীত ৭৭ বৰ্গ ফুটৰ বৃহৎ জাপি সাজি উলিওৱা হৈছে।

০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই মহাত্মা গান্ধীৰ ৭৭ সংখ্যক মৃত্যু বাৰ্ষিকী আৰু ছহিদ দিৱসত আজি জাতিৰ পিতা গৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মৃত্যু বাৰ্ষিকী উপলক্ষে পুৱাৰ ভাগত নতুন দিল্লীৰ ৰাজঘাটত থকা মহাত্মা গান্ধীৰ সমাধিত এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰই প্ৰতিবছৰে ৩০ জানুৱাৰীত মহাত্মা গান্ধীৰ জীৱন আৰু ঐতিহ্যৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। মহাত্মা গান্ধী স্বাধীনতা আন্দোলনৰ বাবে ভাৰতীয় সংগ্ৰামৰ প্ৰেৰণাৰ মূল উৎস আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৃত্যু বাৰ্ষিকী উপলক্ষে মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰি দিয়া এটা বাৰ্তাত কয়, যে তেওঁৰ আদৰ্শৰাজিয়ে আমাক সকলোৰে বাবে উন্নয়ন সুনিশ্চিত কৰাৰ প্ৰচেষ্টাত সদায় পথ দেখুৱাই যাব।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিল্লীৰ নেহৰু পাৰ্কত মহানগৰখনত বাস কৰা অসমীয়াসকলৰ সৈতে আজি **ভোগালীৰ এক জীপাল সন্ধিয়া** শীৰ্ষক অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সংস্কৃতি আৰু ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাই লাভ কৰা স্বীকৃতি উদযাপনৰ বিষয়ে আলোচনা কৰাৰ কথা। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কালি অনুষ্ঠানস্থলী

পৰিদৰ্শন কৰি এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীক সংগ দিয়ে।

OOOOOOO

পদ্মশ্ৰী সন্মানেৰে বিভূষিত সুৰদী কণ্ঠশিল্পী দীপালি বৰঠাকুৰৰ আজি ৮৪ সংখ্যক জন্মবাৰ্ষিকী। ১৯৪১ চনৰ ৩০ জানুৱাৰীত তেতিয়াৰ শিৱসাগৰ জিলাৰ সোণাৰিৰ নীলমণি বাগানত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে বহু কালজয়ী গীতেৰে অসমীয়া সংগীতৰ জগতখন সমৃদ্ধ কৰি থৈ গৈছে। শিল্পীগৰাকীয়ে ১৯৪৭ চনত মইনা মেলৰ যোগেদি গায়িকা হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰত সংগীত পৰিৱেশন কৰি জনপ্ৰিয় হৈ পৰিছিল। ১৯৫৯ চনত ক্ষীৰদা কান্ত বিষয়াৰ কথা আৰু সুৰ তথা লক্ষ্যধৰ চৌধুৰী আৰু প্ৰবীণ ফুকনৰ পৰিচালনাৰে মুক্তি লাভ কৰা লাচিত বৰফুকন চলচ্চিত্ৰত প্ৰথমবাৰৰ বাবে গীত পৰিৱেশন কৰা শিল্পীগৰাকীৰ কণ্ঠৰ এমুঠি সুৰীয়া গীতে শ্ৰোতাৰ হৃদয়ত নজহা-নপমাকৈ প্ৰভাৱ বিস্তাৰ কৰি ৰাখিছে। স্নায়ুৰ এটা জটিল ৰোগত আক্ৰান্ত হৈ অসুস্থ হৈ পৰা সত্বেও তেওঁৰ গীতসমূহে অনুৰাগীসকলৰ হৃদয় সদায়েই স্পৰ্শ কৰে। শিল্পীগৰাকীয়ে ১৯৯৮ চনত পদ্মশ্ৰী সন্মান আৰু ২০১০ চনত শিল্পী বঁটা লাভ কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকী উপলক্ষে দীপালি বৰঠাকুৰলৈ শ্ৰদ্ধা নিবেদন কৰিছে।

OOOOOO

ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ উদযাপনৰ অংশ হিচাপে আজি বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাল, জিলা প্ৰশাসন, জিলা আৰক্ষী আৰু বৰপেটা জিলা পৰিবহন বিভাগৰ উদ্যোগত এটা সজাগতা সমদল উলিওৱা হয়। জিলাখনৰ আয়ুক্ত ৰোহন কুমাৰ ঝা আৰু আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই এই সমদলৰ শুভাৰম্ভ কৰে। সমদলটোৱে বৰপেটা চহৰৰ কেইবাটাও পথ অতিক্ৰম কৰি ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে।

OOOOOOO

অসমে আজি উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বীচ্চ হেণ্ডবল প্ৰতিযোগিতাৰ ছোৱালীৰ শাখাৰ ছেমি ফাইনেলত কেৰালাৰ হাতত ২-০ ফলাফলত পৰাজিত হয়। অসমে আজি ফুটবল, স্কোৱাছ, উশ্বু, শ্বুটিং, ট্ৰায়াথলন, চাইক্লিং আৰু ভাৰোত্তোলন শিতানতো প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। স্কোৱাছত মনশ্ৰী ৰাজস্থানৰ ছাৰিৰ সন্মুখীন হ'ব। এই শিতানৰ মহিলাৰ দলীয় শাখাত অসম, তামিলনাডুৰ আৰু পুৰুষৰ দলীয় শাখাত অসম উত্তৰ প্ৰদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰোত্তোলনত আজি পঞ্চমী সোণোৱাল আৰু বৰ্ণালী বৰাই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। একেদৰে ট্ৰায়াথলনত তুষাৰ ডেকা, নুপুৰ ডেকা আৰু দেৱীকা শৰ্মাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

OOOOOO-

**সমাপ্ত**